# কীৰ্তিনাথ হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি

## পাচুগোপাল বৰুৱা

কীৰ্তিনাথ হাজৰিকাক শেষবাৰৰ কাৰণে মই পাইছিলোঁ ১৭/৪/২০০২ ৰাতিপুৱা প্ৰয়াত হেৰম্বকান্ত বৰপূজাৰীৰ ঘৰত। তেখেতেও মৃতকৰ প্ৰতি শেষশ্ৰদ্ধা জনাবলৈ গৈছিল। হাজৰিকাৰ লগত আমাৰ সম্পৰ্ক বহুদিনীয়া— ঘৰুৱা পাৰিবাৰিক কথা-বাৰ্তা পাতোতে তেখেতক বিমৰ্ষ যেন দেখিছিলোঁ। বিশেষকৈ তেখেতৰ পৰিবাৰৰ বিছনাত পৰি থকা অসুখৰ বাবে। বৰপূজাৰীৰ শৱদেহ শ্মশান যাত্ৰাৰ সময়ত মই তেখেতক লগ ধৰিলোঁ— কিন্তু মোক ক'লে তেখেত মানসিক আৰু শাৰীৰিকভাৱে অসুস্থতাৰ হেতু যাব নোৱাৰিব। এপষেকৰ অন্তত তেখেত যে আমাৰ মাজৰ পৰা হেৰাই যাব ভাবিবই পৰা নাছিলোঁ।

হাজৰিকাৰ লগত মই ১৯৬৯ চনৰ যোৰহাটৰ পৰা অহাৰ পিছৰ পৰাই এটা গভীৰ সম্পৰ্ক গঢ়ি উঠে। সেই সময়ত দৈনিক অসমত অনিল বৰুৱায়ো কাম কৰিছিল। অনিল বৰুৱা মোৰ ভাইৰ নিচিনা। সেই কাৰণেই মোক ৰাস্তাই-ঘাটে লগ পালে তেওঁলোকৰ কাকতত অসমীয়াত আইন বিষয়ৰ প্ৰবন্ধ লিখাৰ বাবে যথেষ্ট তাগিদা দিয়ে। সেই অনুক্ৰমে দৈনিক অসমত মোৰ বহুতো প্ৰবন্ধ ইতিমধ্যে প্ৰকাশ হৈছে। ইয়াৰ কাৰণে মই কীৰ্তিনাথ হাজৰিকা আৰু অনিল বৰুৱাৰ ওচৰত ঋণী। যিহেতু তেওঁলোকে মোক প্ৰবন্ধ লিখাৰ প্ৰতি উৎসাহ যোগালে।

কীৰ্তিনাথ হাজৰিকাই অসমক সৰ্বান্তকৰণে ভাল পাইছিল আৰু গণতান্ত্ৰিক প্ৰমূল্যক তেখেতে যথেষ্ট মূল্য দিছিল। এইবোৰ কথা প্ৰায়েই মোৰ লগত আলোচনা কৰিছিল। আজি তেখেতৰ মৃত্যুৰ পিছত মোৰ বহুতো কথাই মনলৈ আহিছে। ১৯৭৫ চনৰ জুন মাহত এলাহাবাদ উচ্চ ন্যায়ালয়ে যেতিয়া তেতিয়াৰ ভাৰতৰ প্ৰধানমন্ত্ৰী নিৰ্বাচন অবৈধ বুলি ক'লে তেখেতে মোৰ প্ৰতিক্ৰিয়া বিচাৰিলে। ময়ো ততালিকে মোৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেখেতৰ কাকতত এটা বিবৃতি দিলোঁ যে যিহেতু প্ৰধানমন্ত্ৰী নিৰ্বাচন অবৈধ বুলি কৈছে সেই হেতুকে শ্ৰীমতী গান্ধী প্ৰধানমন্ত্ৰী হৈ থকাৰ নৈতিক অধিকাৰ নাই। বোধকৰোঁ অসমত অকল তেখেতৰ কাকততে এনেকুৱা বিবৃতি ওলাইছিল আৰু এনেকুৱা বিবৃতি

প্ৰকাশ কৰাটো কম সাহসৰ কথা নহয়। তদুপৰি ১৯৭৫ চনৰ ২৪ নে ২৫ জুনত যেতিয়া ভাৰতত জৰুৰীকালীন অৱস্থা প্ৰৱৰ্তন কৰিলে ৰাতিপুৱা মোলৈ মোৰ এজন বন্ধুৱে টেলিফোন কৰিছিল। অনিল বৰুৱা সেই সময়ত আমাৰ বাসস্থানৰ ওচৰতে আছিল। মই অনিল বৰুৱাক এই খবৰটো দিয়াৰ পিছত মোক সম্পাদক হাজৰিকাক কথাটো জনাবৰ কাৰণে ক'লে। মই তেখেতলৈ ফোন কৰিলত তেখেতৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া— Show-down আৰম্ভ হ'লেই নেকি? তদুপৰি মৌলিক অধিকাৰবোৰ জৰুৰীকালীন অৱস্থাত স্থগিতকৰণ হ'ব বুলি মই মত প্ৰকাশ কৰাত তেখেতে গভীৰ উদ্বেগ প্ৰকাশ কৰিছিল। তদুপৰি যেতিয়া সংবাদ-পত্ৰৰ ওপৰত কোনো বাৰ্তা প্ৰচাৰ কৰিব পাৰেনে নোৱাৰে সেইটো আগতীয়াকৈ পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিলে তেখেতে গভীৰ উদ্বেগ প্ৰকাশ কৰিছিল আৰু এই বিষয়ত বহুতো আলোচনা-বিলোচনা কৰিছিল। এইবোৰ কথাই তেখেতৰ স্বাধীনচিতীয়া মনৰ প্ৰতি মোৰ মনত ৰেখাপাত কৰিছিল।

অসমত বিদেশী সংক্ৰান্তত যিটো আন্দোলন হৈছিল অসম আৰু অসমীয়াৰ স্বাৰ্থত হাজৰিকাদেৱে মন-প্ৰাণ উজাৰি সমৰ্থন কৰিছিল। তেখেতৰ তীক্ষ্ণ সম্পাদকীয়ই তেখেতক অমৰ কৰি ৰাখিব। খৰ্গেশ্বৰ তালুকদাৰৰ মৃত্যুৰ পিছদিনা পুৱা তেখেতক লগ পাওঁতে তেখেত অত্যন্ত বিহ্বল হৈছিল। মোৰ এতিয়াও মনত পৰে সেইদিনা ৰাতি আবিদা আহমেদৰ মনোনয়ন পত্ৰ নাকচ কৰাৰ পিছত তেখেতে যথেষ্ট সন্তুষ্টি প্ৰকাশ কৰিছিল। অসম আন্দোলনটো ধাৰাবাহিকৰূপে চলাই নিয়াত তেখেতৰ অৱদান অসীম। এনেকুৱা অসমপ্ৰেমী অসমীয়াৰ মৃত্যু জাতিটোৰ কাৰণে অপূৰণীয় ক্ষতি।

মৃত্যুৰ কিছুদিনৰ আগৰ পৰা তেখেত তেখেতৰ পৰিবাৰৰ কাৰণে মানসিকভাৱে অত্যন্ত হতাশগ্ৰস্ত হৈ পৰিছিল। বহুতো ব্যক্তিগত কথা হাজৰিকাদেৱে মোৰ আগত ব্যক্ত কৰিছে। তেখেতৰ মৃত্যু মোৰ ব্যক্তিগতভাৱেও এটা পূৰাব নোৱৰা ক্ষতি। শনিবাৰৰ দিনা ৰাতিপুৱা খবৰ কাগজত তেখেতৰ মৃত্যুৰ খবৰ পাই হতভম্ব হ'লোঁ। আমি এজন প্ৰখ্যাত বুৰঞ্জীবিদ হেৰম্বকান্ত বৰপূজাৰী আৰু বৰ্তমান অসমীয়া বাতৰিকাকতত পৰিবেশিত বাতৰিৰ trend setter কীৰ্তিনাথ হাজৰিকাৰ মৃত্যু অসমৰ কাৰণে অপূৰণীয় ক্ষতি। ব্যক্তিগতভাৱে আমি তেখেতৰ স্বৰ্গগত আত্মাৰ প্ৰতি প্ৰণিপাত জনাই সদ্গতি কামনা কৰিলোঁ। ◆